# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-05-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

**--------------------**

১। দেশৰ আগশাৰীৰ উদ্যোগপতিক সাক্ষাৎ কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত সম্পাদিত চুক্তিসমূহ কাৰ্যকৰী কৰাৰ আহ্বান।

২। ডনাৰ আৰু বস্ত্ৰ মন্ত্ৰালয়ে উত্তৰ-পূৰ্বাঞ্চলৰ হস্ততাঁত খণ্ডৰ উন্নয়নৰ বাবে কাম কৰিব বুলি কেন্দ্ৰীয় বস্ত্ৰ ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাৰ প্ৰকাশ।

৩। সংবাদ মাধ্যমৰ নিৰ্ভৰযোগ্যতা হ্ৰাস পোৱাটো গণতন্ত্ৰৰ বাবে বিপজ্জনক বুলি আকাশবানীৰ দৃষ্টিপাত অনুষ্ঠানত অধ্যাপক ড০ চন্দন শৰ্মাৰ মন্তব্য।

৪। অপাৰেচন সিন্দূৰৰ সফলতা আৰু দেশৰ সৈনিকসকলৰ বীৰগাথা প্ৰচাৰৰ আকাশবাণীৰ শৃংখলাত আজি কাৰ্গিল যুদ্ধৰ ছহিদ জিণ্টু গগৈৰ পিতৃ অৱসৰপ্ৰাপ্ত ফ্লায়িং অফিচাৰ ঠগীৰাম গগৈৰ অভিমত।

*আৰু*

৫। মন কী বাত অনুষ্ঠানৰ জৰিয়তে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি দিনৰ ১১ বজাত জনসাধাৰণৰ সৈতে মত বিনিময়।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কেইবাগৰাকী আগশাৰীৰ উদ্যোগপতিক সাক্ষাৎ কৰি যোৱা ফেব্ৰুৱাৰীত গুৱাহাটীত অনুষ্ঠিত বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলন এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত সম্পাদিত চুক্তিসমূহ কাৰ্যকৰী কৰিবলৈ আহ্বান জনাইছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কালি সন্ধিয়া নতুন দিল্লীত প্ৰথমে বেদান্ত গ্ৰুপৰ অধ্যক্ষ অনিল আগৰৱালা আৰু পাছত আই টি চি হোটেলৰ পৰিচালন সঞ্চালক অনিল ছদ্ধাক সাক্ষাৎ কৰে। বিনিয়োগ সন্মিলনত বিভিন্ন কোম্পানীয়ে দিয়া প্ৰতিশ্ৰুতিসমূহ কাৰ্যকৰী কৰাৰ পৰৱৰ্তী পদক্ষেপৰূপে মুখ্যমন্ত্ৰীগৰাকীয়ে কাইলৈ নতুন দিল্লীত দেশৰ প্ৰখ্যাত উদ্যোগতপতিসকলৰ সৈতে আন এলানি বৈঠকত মিলিত হ'ব। মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ৰ পৰা জনোৱা মতে বিনিয়োগৰ প্ৰস্তাৱসমূহ কাৰ্যকৰী কৰিবলৈ ছমাহৰ ভিতৰত বিস্তৃত ৰূপৰেখা প্ৰস্তুতৰ কাম অব্যাহত আছে।

ইপিনে, কেন্দ্ৰীয় পথ পৰিবহন মন্ত্ৰী নীতিন গাডকাৰীক সাক্ষাৎ কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই যোৰহাট-মাজুলী দলঙৰ পুনৰ নিবিদা প্ৰস্তুত কৰাৰ বাবে মন্ত্ৰালয়ৰ সিদ্ধান্তত সন্তোষ প্ৰকাশ কৰে। সাক্ষাতকালত যোৰহাট-ডিব্ৰুগড় ৰাষ্ট্ৰীয় ঘাইপথৰ নিৰ্মাণৰ অগ্ৰগতিৰ বিষয়েও পৰ্যালোচনা কৰা হয়। বিশেষকৈ পথ আন্তঃগাঁথনি উন্নয়নমূলক প্ৰকল্পসমূহ শীঘ্ৰেই সম্পূৰ্ণ কৰি ৰাজ্যখনৰ পথ যোগাযোগ ব্যৱস্থা অধিক উন্নত কৰাত গুৰুত্ব আৰোপ কৰা হয়।

০০০০০

নতুন দিল্লীত আয়োজিত ৰাইজিং নৰ্থ ইষ্ট বিনিয়োগকাৰী শীৰ্ষ সন্মিলন ২০২৫ৰ কালি সামৰণি পৰে। অনুষ্ঠানত অংশ লৈ কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা আৰু বস্ত্ৰ দপ্তৰৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই উত্তৰ-পূব উন্নয়ন মন্ত্ৰ্যালয় আৰু বস্ত্ৰ মন্ত্ৰালয়ে সহযোগিতাৰে উত্তৰ-পূৰ্বাঞ্চলৰ হস্ত-তাঁত খণ্ডৰ উন্নয়নৰ বাবে কাম কৰিব বুলি প্ৰকাশ কৰে। উত্তৰ-পূব উন্নয়ন দপ্তৰৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই অঞ্চলটোৰ বিভিন্ন ক্ষেত্ৰ অধ্যয়ন কৰি তিনি মাহৰ ভিতৰত হস্ত-তাঁত খণ্ডৰ বিষয়ে প্ৰতিবেদন দাখিলৰ নিৰ্দেশ দিছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে এই প্ৰতিবেদনৰ আধাৰত দুয়োটা মন্ত্ৰ্যালয়ে এই সম্ভাৱনাপূৰ্ণ খণ্ডৰ প্ৰসাৰৰ বাবে পদক্ষেপ ল'ব। শ্ৰীমাৰ্ঘেৰিটাই দেশৰ ভিতৰতে অসমত সৰ্বাধিক হস্ত-তাঁত আৰু বস্ত্ৰ শিল্পৰ শিপিনী আছে বুলি উল্লেখ কৰে। তেওঁ কয় যে উত্তৰ-পূৰ্বাঞ্চলৰ ৬৫ শতাংশ হস্ত শিল্পৰ কাম উপলব্ধ।

**বাইট -পবিত্ৰ**

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ডº মনসুখ মন্দাভিয়াই প্ৰতিবছৰে উত্তৰ পূৰ্বাঞ্চলৰ আঠোখন ৰাজ্যৰ এখনত খেলো ইণ্ডিয়া উত্তৰ পূৰ ক্ৰীড়া মহোৎসৱৰ আয়োজন কৰা হ'ব বুলি কালি এই অনুষ্ঠানত অংশ লৈ ঘোষণা কৰে। তেওঁ কয়, যে বিভিন্ন উদ্যমৰ জৰিয়তে অঞ্চলটোত ক্ৰীড়াতন্ত্ৰ শক্তিশালী কৰি তুলিবলৈ চৰকাৰ বদ্ধপৰিকৰ। ২০৩০ চনত কমনৱেল্‌থ গেমছ আৰু ২০৩৬ চনত গ্ৰীষ্মকালীন অলিম্পিক আয়োজনৰ বাবে লক্ষ্য নিৰ্ধাৰণ কৰাৰ বিষয়ে উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে বছৰৰ যিকোনো সময়ত আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাৰ আয়োজনৰ বাবে ভাৰত সঠিক স্থান।

উত্তৰ–পূব উন্নয়ন দপ্তৰৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই ৰাইজিং নৰ্থ ইষ্ট বিনিয়োগকাৰী সন্মিলনে ৪ লাখ ৩০ হাজাৰ কোটি টকাৰ বিনিয়োগ আকৰ্ষণ কৰা বুলি প্ৰকাশ কৰিছে। উত্তৰ-পূৰ্বাঞ্চলক শক্তিশালী কৰি দেশৰ প্ৰগতিৰ চালিকাশক্তিৰূপে গঢ়ি তোলাৰ দিশৰ পৰা ইয়াক সঁচা অৰ্থত পাতনি বুলি অভিহিত কৰিব পৰা যায় বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

০০০০০০

দেশৰ যিকোনো সংকটকালিন পৰিস্থিতিত সংবাদ মাধ্যমে অত্যুৎসাহী নহৈ সংযত আৰু শুদ্ধ তথ্য আধাৰিত বাতৰি প্ৰচাৰ কৰি জনসাধাৰণক স্পষ্টৰূপত অৱগত কৰা উচিত। আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাত অনুষ্ঠানত অপাৰেচন সিন্দূৰ আৰু ইয়াৰ পৰৱৰ্তী দিনকেইটাত সংবাদ মাধ্যমৰ ভূমিকা শীৰ্ষক আলোচনাত বিশিষ্ট গৱেষক, তেজপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক ডº চন্দন শৰ্মা আৰু সংবাদ মাধ্যম বিশেষজ্ঞ ৰামন বৰাই এইকথা প্ৰকাশ কৰে।

অনুষ্ঠানত শ্ৰীবৰাই সংবাদ মাধ্যমৰ সংযত বাতৰি পৰিবেশনৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

**বাইট -ৰামন বৰা**

দেশৰ সংকটকালীন সময়ত সংবাদ মাধ্যম সজাগ, সতৰ্ক হোৱা প্ৰয়োজন আৰু এনে সময়ত বিভ্ৰান্তিকৰ বাতৰি প্ৰচাৰ কৰাটো গণতন্ত্ৰৰ বাবে শুভলক্ষণ নহয় বুলি ড০ চন্দন শৰ্মাই প্ৰকাশ কৰে।

**বাইট -শৰ্মা**

দৃষ্টিপাত অনুষ্ঠানটিৰ পৰিকল্পনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

oooooo

অপাৰেচন সিন্দূৰ আৰু ইয়াৰ পৰৱৰ্তী দিনকেইটাত সেনা বাহিনীয়ে লাভ কৰা সফলতাৰ পটভূমিত দেশৰ হকে অপৰিসীম সাহসেৰে যুঁজ দিয়া ৰাজ্যখনৰ প্ৰাক্তন সৈনিক, তেওঁলোকৰ পৰিয়াল আৰু সমাজৰ নেতৃস্থানীয় লোকৰ মতামত প্ৰচাৰৰ শৃংখলাত আজি  অন্তিম দিনা আমি লৈ আহিছো **কাৰ্গিল যুদ্ধৰ শ্বহিদ কেপ্তেইন জিণ্টু গগৈৰ পিতৃ বায়ুসেনাৰ অৱসৰপ্ৰাপ্ত ফ্লায়িং অফিছাৰ ঠগীৰাম গগৈৰ** অভিমত। ১৯৯৯ চনৰ কাৰ্গিল যুদ্ধত দেশৰ বাবে প্ৰাণ আহুতি দিয়া, বীৰ চক্ৰ সন্মানেৰে বিভূষিত সেনাবাহিনীৰ গাৰোৱাল ৰেজিমেণ্টৰ কেপ্তেইন শ্বহিদ গগৈৰ পিতৃয়ে আমাৰ গোলাঘাটৰ সংবাদদাতা হিৰণ্য গগৈৰ আগত তেওঁৰ পুত্ৰৰ ত্যাগ, বায়ু সেনা বাহিনীত তেওঁৰ অভিজ্ঞতা আৰু অপাৰেশ্বন সিন্দূৰ অভিযান সম্পৰ্কে এই মত ব্যক্ত কৰে।

**(বাইট)**

দেশৰ সেৱাত উৎসৰ্গিত সেনাবাহিনীৰ লোকসকলৰ ত্যাগ আৰু অপৰিসীম সাহসৰ প্ৰতি শ্ৰদ্ধাৰে আকাশবাণী গুৱাহাটীয়ে  পৰৱৰ্তী সময়তো এনেধৰণৰ প্ৰচাৰ অব্যাহত ৰাখিব।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আকাশবাণীৰ যোগে প্ৰচাৰিত মন কী বাত অনুষ্ঠানৰ জৰিয়তে আজি দিনৰ ১১ বজাত দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মত বিনিময় কৰিব। এয়া হ'ব মন কি বাত অনুষ্ঠানৰ ১২২ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কত প্ৰচাৰিত হ'ব। এই অনুষ্ঠান আকাশবাণীৰ ৱেবছাইট আৰু News on AIR ম'বাইল এপযোগেও শুনিব পৰা যাব। আকাশবাণী, ডিডি নিউজ, প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় আৰু তথ্য-সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউৱ চেনেল যোগেও এই অনুষ্ঠান পোনপটীয়া প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটিৰ ঠিক পাছতে আকাশবাণী গুৱাহাটীয়ে ইয়াৰ অসমীয়া ভাষান্তৰ প্ৰচাৰ কৰিব।

মন কী বাত অনুষ্ঠান ৰাজ্যৰ বিভিন্ন প্ৰান্তত পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব। বিজেপিয়ে ৰাজ্যৰ ২৯ হাজাৰ বুথত এই কাৰ্যসূচী প্ৰচাৰ কৰিব। অনুষ্ঠানৰ ঠিক পাছতে প্ৰতিটো বুথৰ পৰা ত্ৰিৰংগ যাত্ৰা উলিওৱা হ'ব।

oooooo

## NEWS PAPER  REVEIW

দেশত নিৰ্ধাৰিত সময়ৰ পূৰ্বে মৌচুমীৰ আগমন, নীতি আয়োগৰ পৰিচালনা পৰিষদৰ দশম বৈঠক, এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ প্ৰতিশ্ৰুতি পূৰণৰ বাবে দিল্লীত মুখ্যমন্ত্ৰীৰ আগশাৰীৰ উদোগপতিক সাক্ষাৎ আদিৰ বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায় আটাইকেইখন বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাত স্থান পোৱা পৰিলক্ষিত হৈছে।

**অসমীয়া প্ৰতিদিন** কাকতে নিৰ্ধাৰিত সময়ৰ পূৰ্বে দেশলৈ মৌচুমী অহাৰ বাতৰি মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

**আমাৰ অসম** কাকতেও মৌচুমীৰ আগমনৰ জেৰ টানি অহা পাঁচ দিনত ৰাজ্যত নেৰানেপেৰা বৰষুণৰ সম্ভাৱনা আছে বুলি প্ৰকাশ কৰিছে।

**দৈনিক অসম** কাকতে ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণে ৰাজ্য চৰকাৰক কামৰূপ মহানগৰ জিলাত বেদখলৰ কবলত থকা মুঠ ৪ হাজাৰ ২৪০ দশমিক ৪-০ হেক্টৰ বনভূমি বেদখল মুক্ত কৰাৰ বাবে ক্ষিপ্ৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়া বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে।

অ চি ভাস্কৰ কলিতাৰ হত্যাসহ বিভিন্ন কুটাঘাতত জৰিত ৰূপম অসমক তিনিচুকীয়া আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা বাতৰিক **নিয়মীয়া বাৰ্তা** কাকতে আলফাৰ অপাৰেচন কমাণ্ডাৰ মষ্ট ৱাণ্টেড ৰূপম অসমক গ্ৰেপ্তাৰ শিৰোনামেৰে প্ৰকাশ কৰিছে।

**দৈনিক জনমভূমি** কাকতে সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ বিখ্যাত সাধুকথাৰ গ্ৰন্থ বুঢ়ী আইৰ সাধু জে এন ইউৰ গৱেষক ছাত্ৰ তথা অসম সন্তান মোলানা আবু ছাইদ আনছাৰীয়ে অনুবাদ কৰা বাতৰি বুঢ়ী আইৰ সাধুক আৰবী, স্পেনিছ্ ভাষালৈ অনুবাদ দুই অসম সন্তানৰ শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

**অসমীয়া খবৰ** কাকতে ৰাজ্যসভাত খালী হবলগীয়া অসমৰ দুখন আসনৰ বাবে দিছপুৰত তৎপৰতা আৰম্ভ হোৱাৰ বাতৰি গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

**দৈনিক অগ্ৰদূত** কাকতে কেন্দ্ৰীয় গৃহমন্ত্ৰালয়ে বিদেশী বিতাৰনৰ নিৰ্দেশ জাৰি কৰাৰ পাছত আৰক্ষীয়ে কালি মৰিগাঁও আৰু তেজপুৰৰ পৰা ১৫ জন বিদেশী ঘোষিতক গ্ৰেপ্তাৰ কৰা বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে।

**দি আছাম ট্ৰিবিউন** কাকতে নীতি আয়োগৰ পৰিচালন পৰিষদৰ বৈঠকত কেন্দ্ৰ আৰু ৰাজ্যসমূহে একেলগে কাম কৰিলে কোনো লক্ষ্যই অসম্ভৱ নহয় বুলি ন্যায়াধীশে কৰা মন্তব্যক মুখ্য বাতৰি হিচাপেপ্ৰকাশ কৰিছে।

**দা ছেণ্টিনেল** কাকতে অসম আৰক্ষীৰ সেৱা নিয়মাৱলী সংশোধনৰ বাতৰিক **Assam Police Service Rules Amended** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত বাতৰি প্ৰকাশ কৰিছে।

এতিয়া আহক বাতৰিৰ মাজলৈ ঘূৰি যাওঁ....

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী-ঢেৰেকনিৰে দুই-এজাক বৰষুণ পৰাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মিজোৰাম, নাগালেণ্ড, ত্ৰিপুৰা আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত